হে বিলাল! নামাজৰ ইক্বামত দিয়া, আৰু ইয়াৰ দ্বাৰা আমাক আৰাম প্ৰদান কৰা।

ছালিম বিন আবিল জাআদৰ পৰা বৰ্ণিত, এজনে ক'লে যে, হায়! মই যদি নামাজ পঢ়িলোঁহেঁতেন তেন্তে আৰাম অনুভৱ কৰিলোঁহেঁতেন। উপস্থিত লোকসকলে বিষয়টোক যেনিবা বেয়া বুলি ভাবিলে। তেতিয়া তেওঁ ক'লেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "হে বিলাল! নামাজৰ ইক্বামত দিয়া, আৰু ইয়াৰ দ্বাৰা আমাক আৰাম প্ৰদান কৰা।"
[ছহীহ] [(আবু দাঊদ)]

চাহাবাসকলৰ মাজৰ কোনো এজন চাহাবীয়ে ক'লে যে, নামাজ পঢ়িলে কিজানি শান্তি অনুভৱ কৰিলোঁহেঁতেন। তেওঁৰ ওচৰে পাঁজৰে থকা লোকসকলে বিষয়টোক বেয়া অনুভৱ কৰিলে। তেতিয়া তেওঁ ক'লেঃ মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ হে বিলাল! আজান দিয়া আৰু নামাজৰ ইক্বামত দিয়া, যাতে আমি শান্তি অনুভৱ কৰিব পাৰোঁ। কাৰণ নামাজৰ দ্বাৰা আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা হয়, সেয়ে অন্তৰ আৰু ৰূহে আৰাম অনুভৱ কৰে।

http://sunnah.global/hadeeth/as/show/65095